**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। দীৰ্ঘদিনীয়া সমস্যাৰাজিৰ পৰা মুক্ত হৈ দেশ দীৰ্ঘকালিন সমাধানৰ পথত দৃঢ়তাৰে অগ্ৰসৰ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। ২০২৬ বিত্তীয় বৰ্ষত দেশৰ প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ৭ দশমিক ৪ শতাংশ হোৱাৰ সম্ভাৱনা আছে।

৩। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হয়।

৪। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি নিশা দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব।

আৰু

৫। প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ অধীনত বৰ্তমানলৈকে ১ কোটি ৬৪ লাখৰো অধিক বাসগৃহত অনুমোদন জনোৱা হৈছে।

০০০০০০০

দীৰ্ঘদিনীয়া সমস্যাৰাজিৰ পৰা মুক্ত হৈ দেশ দীৰ্ঘকালিন সমাধানৰ পথত দৃঢ়তাৰে অগ্ৰসৰ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। বাজেট অধিবেশনৰ আজি দ্বিতীয় দিনা নতুন দিল্লীৰ সংসদ ভৱন চৌহদত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীমোদীয়ে কয়, যে সংস্কাৰ, প্ৰদৰ্শন আৰু ৰূপান্তৰ তেওঁৰ চৰকাৰৰ পৰিচয় হৈ পৰিছে আৰু দেশ সম্প্ৰতি সংস্কাৰৰ পথেৰে আগবাঢ়িছে। তেওঁ কয়, যে চৰকাৰে কল্যানকামী আঁচনিসমূহক সমাজৰ একেবাৰে শেষৰজন ব্যক্তিৰ ওচৰলৈ লৈ যোৱা গুৰুত্ব আৰোপ কৰি আহিছে। তেঁও কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষ উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যত উপনীত হোৱাৰ দিশৰ পৰা পৰৱৰ্তী ২৫ বছৰ গুৰুত্বপূৰ্ণ হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি সংসদৰ উভয় সদনক উদ্দেশি দিয়া ভাষণ দেশৰ ১৪০ কোটি জনসাধাৰণৰ আস্থাৰ অভিব্যক্তি বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

অলপতে ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তিৰ চূড়ান্ত ৰূপ প্ৰদান সন্দৰ্ভত মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে ইয়াক ভাৰতবৰ্ষক আত্মবিশ্বাসেৰে ভৰা প্ৰতিযোগিতামুখী আৰু উৎপাদনশীল ৰাষ্ট্ৰৰূপে গঢ়াৰ দিশত লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰে। তেওঁ কয় যে মুক্ত বাণিজ্য চুক্তিৰ ফলত নতুন বজাৰ মুকলি হৈছে আৰু দেশত উৎপাদনকাৰীসকলে এই চুক্তিৰ সুফল গ্ৰহণ কৰা উচিত। তেওঁ লগতে কয় যে ভাৰতবৰ্ষৰ গণতন্ত্ৰ আৰু জনগাথনি বিশ্বৰ বাবে আশা স্বৰূপ আৰু সম্প্ৰতি দেশ বিশ্বৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে।

বাইট ঃ মোদী

প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে সম্প্ৰতি দেশ আগবাঢ়িছে আৰু সেয়েহে বাধা সৃষ্টি কৰাৰ পৰিৱৰ্তে সমাধান উলিওৱাত সকলোৱে গুৰুত্ব আৰোপ কৰা উচিত। তেওঁ লগতে সকলোকে দেশৰ উন্নয়নৰ বাবে ইতিবাচকভাৱে কাম কৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে কয় যে সংসদ গণতন্ত্ৰৰ মন্দিৰ স্বৰূপ আৰু সাংসদসকলে এই মন্দিৰৰ জৰিয়তে বিশ্ব সম্প্ৰদায়ক দেশৰ সামৰ্থ আৰু গণতন্ত্ৰৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিব পাৰে।

oooooooo

২০২৬ বিত্তীয় বৰ্ষত দেশৰ প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ  বিকাশ হাৰ ৭ দশমিক ৪ শতাংশ হ'ব পাৰে আৰু ২০২৭ বিত্তীয় বৰ্ষত এই হাৰ ৬ দশমিক ৮ ৰ পৰা ৭ দশমিক ২ শতাংশৰ ভিতৰত থকাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত দাখিল কৰা অৰ্থনৈতিক সমীক্ষাত এই অনুমান কৰা হৈছে।

অৰ্থনৈতিক সমীক্ষা অনুসৰি ২০২৬ বিত্তীয় বৰ্ষতো দেশৰ শক্তিশালী বিকাশ ধাৰা বৰ্তি থাকিব। প্ৰকৃত মুল ঘৰুৱা উৎপাদনৰ প্ৰথমটো অগ্ৰীম অনুমানত মূলতঃ ঘৰুৱা চাহিদা বৃদ্ধিৰ বাবেই এই হাৰ ৭ দশমিক ৪ শতাংশ হ'ব পাৰে বুলি কোৱা হৈছে। অৰ্থনৈতিক সমীক্ষাত ভূ-ৰাজনৈতিক উত্তেজনা আৰু গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ মাজত বাণিজ্য ক্ষেত্ৰত সৃষ্টি হোৱা বাধাৰ বাবে গোলকীয় অৰ্থনৈতিক বাতাবৰণ অনিশ্চিত হৈ থাকিব বুলি উল্লেখ কৰা হৈছে।

oooooooo™

বিমান দুৰ্ঘটনাত কালি মৃত্যু হোৱা নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টিৰ সভাপতি তথা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰীৰ অজিত পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি পুণেৰ বাৰামতীৰ বিদ্যা প্ৰতিষ্ঠান খেলপথাৰত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হয়। পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়াত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় পথ পৰিৱহন আৰু ঘাইপথ মন্ত্ৰী নিতিন গাডকাৰী, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবিছ, ৰাজ্যমন্ত্ৰী ৰামদাস আঠাৱালে, প্ৰতাপ ৰাও যাদৱ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱনতকে ধৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ নেতা উপস্থিত থাকি শ্ৰদ্ধা নিবেদন কৰে। পুণেৰ বাৰামতী বিমান বন্দৰৰ সমীপত কালি এটা বিমান দুৰ্ঘটনাত অজিত পাৱাৰসহ ৫ জন লোকৰ মৃত্যু হয়। ৬৬ বছৰ বয়সীয়া অজিত পাৱাৰৰ আকস্মিক মৃত্যুৱে মহাৰাষ্ট্ৰৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোটৰ চৰকাৰখনত ৰাজনৈতিক শূন্যতাৰ সৃষ্টি কৰিছে। পাৱাৰৰ নেতৃত্বত চলা নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টিৰ ভৱিষ্যত সন্দৰ্ভতো আলোচনা কৰা হৈছে।

ইপিনে দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ব্লেক বক্স উদ্ধাৰ কৰা হৈছে বুলি অসামৰিক বিমান পৰিৱহন মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই বিমান দুৰ্ঘটনাৰ পাছতে সকলো প্ৰয়োজনীয় সঁহাৰি প্ৰদানৰ লগতে তাৎক্ষনিকভাৱে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। বিমান দুৰ্ঘটনা তদন্তকাৰী সংস্থাৰ ৩ জন বিষয়া আৰু অসামৰিক বিমান পৰিৱহন সঞ্চালক প্ৰধানৰ মুম্বাইৰ আঞ্চলিক কাৰ্যালয়ৰ ৩ জন বিষয়াৰ এটা দলে কালি দুৰ্ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰে।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি নিশা দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাস

গৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে। খনিকৰ পেৰেড গ্ৰাউণ্ডত কাইলৈ দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণী, স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব।

শ্ৰীশ্বাহে কাইলৈ বিয়লি ধেমাজীত মিছিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ ভাগলৈ তেওঁ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব।

000000000

প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ অধীনত বৰ্তমানলৈকে ১ কোটি ৬৪ লাখৰো অধিক বাসগৃহত অনুমোদন জনোৱা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে জানিবলৈ দিছে। লোকসভাত আজি সোধা পৰিপূৰক প্ৰশ্নৰ উত্তৰত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী তোখন ছাহুৱে এই কথা সদৰি কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে অনুমোদিত বাসগৃহসমূহৰ ভিতৰত ৯৮ লাখৰো অধিক বাসগৃহৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে আৰু এই বাসগৃহসমূহ ইতিমধ্যে হিতাধিকাৰীক গটাই দিয়া হৈছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰৰ ২ লাখ কোটি টকাৰ সাহায্যৰে ১ কোটিৰো অধিক লোকে এই আঁচনিৰ লাভ গ্ৰহণ কৰিছে। চৰকাৰে সবকা সাথ সবকা বিকাশ মন্ত্ৰৰে কাম কৰি আহিছে আৰু এই মন্ত্ৰ সাৰোগত কৰিয়ে সংখ্যালঘু সম্প্ৰদায়ৰ বাবে ২২ লাখ, অনুসূচীত জাতি আৰু জনজাতি সম্প্ৰদায়ৰ বাবে ২৪ লাখ আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ বাবে ৪২ লাখৰো অধিক বাসগৃহত অনুমোদন জনোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীছাহুৱে কয় যে বৰ্তমানলৈকে মহিলাসকলৰ বাবে ৯০ লাখ বাসগৃহ নিৰ্মাণত অনুমোদন দিয়া হৈছে।

0000000

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত অলপতে সম্পাদিত মুক্ত বাণিজ্য চুক্তিক লৈ কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কৰা মন্তব্য খাৰিজ কৰিছে। মন্ত্ৰীগৰাকীয়ে ভাৰত আৰু ইউৰোপীয় সংঘৰ উভয়ৰ বাবে চুক্তিখন লাভদায়ক বুলি মন্তব্য কৰিছে। কংগ্ৰেছ নেতাগৰাকীয়ে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীগোৱেলে কয় যে ক্ষমতাত থকাৰ সময়ত সময়মতে সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰা সকলে চুক্তিখনৰ সমালোচনা কৰাটো সচাঁকৈ আচৰিত কথা। মন্ত্ৰীগৰাকীয়ে এলানি টুইটযোগে কয় যে পূৰ্বতে দেশে এনে নিষ্ক্ৰিয়তাৰ বাবে ব্যাপক লোকচান ভৰিবলগীয়া হৈছে।

ৰাজ্যসভাৰ সাংসদ জয়ৰাম ৰমেশে কৰা মন্তব্য সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে চুক্তিখনে ২৫ লাখ কোটি ডলাৰৰ মুঠ ঘৰুৱা উৎপাদনৰ অৰ্থ ব্যৱস্থা সমূহক ঐক্যবদ্ধ কৰিছে। তেওঁ কয়, যে চুক্তিখন অকল এটা পক্ষৰ বাবে নহয়, বৰং উভয় পক্ষৰ বাবে লাভদায়ক হ'ব। ইয়াৰ ফলত ভাৰতত অৰ্থনৈতিক বিকাশ ত্বৰান্বিত হ'ব আৰু ব্যৱসায়ৰ অনেক সুযোগ সৃষ্টি হ'ব বুলি শ্ৰীগোৱেলে মন্তব্য কৰে।

00000000

৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ সামৰণি উপলক্ষে নতুন দিল্লীৰ বিজয় চ'কত আজি বীটিং ডি ৰিট্ৰিট-২০২৬ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীসকল উপস্থিত থাকিব। অনুষ্ঠানত স্থল সেনা, নৌ সেনা, বায়ু সেনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ বেণ্ড প্ৰদৰ্শন কৰা হ'ব। দেশৰ চহকী সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰি এইবাৰ বিজয় চ'কত দৰ্শকৰ আসনসমূহ ভাৰতৰ বিভিন্ন বাদ্যযন্ত্ৰৰ নামেৰে নামকৰণ কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিটিং ডি ৰিট্ৰিত অনুষ্ঠানত ভাৰতৰ বৰ্ণাঢ্য সামৰিক ঐতিহ্যৰ শক্তিক প্ৰদৰ্শন কৰা হ'ব বুলি উল্লেখ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে দেশৰ সুৰক্ষাৰ বাবে জীৱন সমৰ্পন কৰা সশস্ত্ৰ বাহিনীক লৈ দেশে গৌৰববোধ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই অনুষ্ঠানক গণৰাজ্য দিৱস উদযাপনৰ সামৰণি উপলক্ষ্যে আয়োজন কৰা অনুশাসনমূলক আৰু গৰিমামণ্ডিত পৰম্পৰা বুলি উল্লেখ কৰিছে। এটা বাৰ্তাত শ্ৰীসিঙে কয় যে এই অনুষ্ঠানে সশস্ত্ৰ বাহিনীৰ নিয়মানুৱৰ্তিতা, একতা আৰু শ্বাশ্বত প্ৰমূল্যক প্ৰতিফলিত কৰে।

000000000

গাজা শান্তি চুক্তি দ্বিতীয় পৰ্যায়ত উপনীত হোৱাৰ সময়ত ভাৰতে গাজা সংঘৰ্ষৰ অৱসানৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই চলোৱা প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰিছে। মধ্যপ্ৰাচ্যৰ পৰিস্থিতি সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত হোৱা আলোচনাত অংশগ্ৰহণ কৰি ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিশে হামাচৰ নাম নোলোৱাকৈ সন্ত্ৰাসবাদক গৰিহণা দিয়ে। তেওঁ কয় যে ২০২৩ চনত ইজৰাইলৰ ওপৰত হোৱা আক্ৰমনৰ বাবে গাজা সংকট সৃষ্টি হয়। শ্ৰীহৰিশে কয় যে সভ্য সমাজত সন্ত্ৰাসবাদৰ কোনো স্থান নাই আৰু সকলো ধৰণৰ সন্ত্ৰাসবাদক গৰিহণা দিয়া উচিত। গাজা সন্দৰ্ভত যোৱা নৱেম্বৰত নিৰাপত্তা পৰিষদে গ্ৰহণ কৰা সংকল্প ৰূপায়নৰ প্ৰগতিৰ বিষয়ে উল্লেখ কৰি শ্ৰীহৰিশে কয় যে ভাৰতে এই দীৰ্ঘকালিন সমস্যা  সমাধানৰ প্ৰচেষ্টাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰশংসা কৰে। মন্তব্যৰ সময়ত স্থায়ী প্ৰতিনিধিগৰাকীয়ে সংঘৰ্ষৰ অৱসানৰ বাবে ব্যক্তিগতভাৱে কৃতিত্বৰ দাবী কৰি অহা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ বিষয়ে উল্লেখ কৰাৰ পৰা  বিৰত থাকে। শ্ৰীহৰিশে কয় যে ভাৰতে দুখন ৰাষ্ট্ৰৰ সমাধানসূত্ৰৰ সমৰ্থন কৰে।

00000000

সমাপ্ত